জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তিতম বছৰ, সংখ্যা ১৯৭ ● সোমবাৰ ● ১১ চ'ত ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Monday March 25, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

সাম্প্ৰতিক



সৰ্ব

লুৰ

মৰাণৰ নিজা
খিয়লি, কুৎসা
ক্ষেত্ৰখনৰ ছবি
তাৰ প্ৰভাৱ ন
অতীত। তেনে
খোৱাঙত। নী
কথাকে যেন

তৰ পাছত

দৈনিক জনমভূমি

## প্ৰতিযোগিতামূলক ‘জেম’ পৰীক্ষাত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ১১ গৰাকী শিক্ষাৰ্থীৰ সাফল্য

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ মাৰ্চ ঃ ইণ্ডিয়ান ইনষ্টিটিউট অব্ টেক্‌ন'লজি আৰু ইণ্ডিয়ান ইনষ্টিটিউট অব্ ছায়েন্সৰ উদ্যোগত অনুষ্ঠিত ২০২৪ বৰ্ষৰ সৰ্বভাৰতীয় সদ্যঘোষিত প্ৰতিযোগিতামূলক পৰীক্ষাত Joint Admission Test(JAM) ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ১১গৰাকী শিক্ষাৰ্থীয়ে সাফল্য লাভ কৰাত মহাবিদ্যালয়খনত আনন্দৰ জোৱাৰ উঠে। উল্লেখযোগ্য যে প্ৰত্যেক বছৰে অনুষ্ঠিত অতি কঠিন এই প্ৰৱেশ পৰীক্ষাত কানৈ মহাবিদ্যালয়ৰপৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৰসায়ন বিভাগৰ পৰেশ সন্দিকৈ, নিশিতা বৰকাকতী, আস্থা বৰকাকতী, দেৱশ্ৰী দেৱনাথ, গণিত বিভাগৰ অভিমন্যু পুৰকায়স্থ, জিতুপন দাস, প্ৰিয়ংকা দত্ত, পৰিসংখ্যা বিভাগৰ প্ৰিয়ংকা চৌধুৰী, পদাৰ্থ বিজ্ঞান বিভাগৰ লক্ষ্যদীপ গগৈ, আকাশজ্যোতি গগৈ আৰু ধীতিৰাজ দাসে এই সাফল্য লাভ কৰে। উল্লেখযোগ্য যে বিগত বৰ্ষতো বহু কেইগৰাকী শিক্ষাৰ্থীয়ে এই পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা গ্ৰহণ কৰি আছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে গণিত বিভাগৰপৰা উত্তীৰ্ণ হৈ বিশ্বজিৎ সিং নামৰ শিক্ষাৰ্থীজনে নাগপুৰৰ এন আই টিত নামভৰ্তি কৰি ভাৰতবৰ্ষৰ শীৰ্ষত থকা শিক্ষাৰ্থী হিচাপে নিজৰ প্ৰতিভাৰ পৰিচয় দি প্ৰধানমন্ত্ৰীৰ শিক্ষা বৃত্তি লৈ বৰ্তমান মাদ্ৰাজৰ আই আই টিত গণিত বিষয়ত গৱেষণা কৰি আছে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° প্ৰিয় দেৱ গোস্বামীয়ে শিক্ষাৰ্থীৰ এনে সাফল্যত অধিক উৎসাহিত হৈ কয় যে কানৈ মহাবিদ্যালয়ে যোৱা বহু বছৰ ধৰি শৈক্ষিক ক্ষেত্ৰখনত প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি আহিছে।

## বালিজান বৰজান মধ্য প্ৰধান শিক্ষক উপেন

